জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৮/২০২১

# ভিডিঅ’ কনফাৰেন্সযোগে উপাযুক্তসকলৰ সৈতে জলজীৱন মিছনৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল’লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ০২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষৰ পৰা ভিডিঅ’ কনফাৰেন্সযোগে ৰাজ্যৰ উপাযুক্তসকলৰ সৈতে জলজীৱন মিছনৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিখন জিলাত ৰূপায়িত এই আঁচনিখনৰ সবিশেষ পৰ্যালোচনা কৰে। ভিডিঅ’ কনফাৰেন্সৰ সময়ত উপাযুক্তসকলে নিজ নিজ জিলাত ৰূপায়িত হৈ থকা আঁচনিখনৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে জলজীৱন মিছনৰ অধীনত প্ৰতিখন চাহ বাগিচাত যাতে অহা ডিচেম্বৰ মাহৰ ভিতৰত পানী যোগান ধৰিব পৰা যায়, সেই বিষয়টো প্ৰতিগৰাকী উপাযুক্তই সুনিশ্চিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী উপাযুক্তক চাহ বাগিচা পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতি প্ৰত্যক্ষভাৱে বুজ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ প্ৰতিটো অংগনবাড়ী কেন্দ্ৰ আৰু প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত অহা ডিচেম্বৰ মাহৰ ভিতৰত বিদুৎ সংযোগৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ লগতে জনায় যে বিদুৎ সংযোগৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে জিলা ভিত্তিক লোকনিৰ্মাণ, শক্তি বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগক লৈ সমিতি এখন গঠন কৰি দিছে। এই সমিতিখনক লগত লৈ উপাযুক্তসকলে আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত আহি পৰা সমস্যা তৎকালীনভাৱে সমাধান কৰিব লাগিব বুলিও তেওঁ কয়। জুলাই মাহত ৯০ হাজাৰ লোকৰ গৃহলৈ জল সংযোগৰ লক্ষ্য লৈ ১.২৫ লাখ সংযোগ কৰাৰ বিষয়টো কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক মাহতো নিৰূপিত লক্ষ্য অতিক্ৰম কৰাৰ বাবে উপাযুক্তসকলে বিশেষ উদ্যোগ গ্ৰহণ কৰিব লাগিব। আঁচনিখনৰ দ্ৰুত ৰূপায়ণৰ বাবে প্ৰয়োজন সাপেক্ষে অধিক ঠিকাদাৰ কামত লগোৱাৰ লগতে এই কামত জড়িত হৈ থকা ঠিকাদাৰসকলৰ লগত বাৰ্তালাপ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে উপাযুক্তসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰৰ ধ্বজাবাহী আঁচনিখনৰ বাবে কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষত প্ৰায় ৫,৬০০ কোটি টকা আৱন্টন দিছে। আঁচনিখনৰ বাবে কোনো পুঁজিৰ নাটনি নহয়। সেইবাবে আঁচনিখন ৰূপায়ণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপাযুক্তসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ’ কনফাৰেন্সত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসে অংশগ্ৰহণ কৰি আঁচনিখন লক্ষ্য নিৰ্দ্ধাৰিত ভাৱে ৰূপায়ণ কৰাৰ বাবে যথোচিত পদক্ষেপ ল’বলৈও উপাযুক্তসকলক কয়। ভিডিঅ’ কনফাৰেন্সত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্যসচিব চৈয়দ্দিন আব্বাচী,

মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ সিনহা, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, জলজীৱন মিছনৰ মিছন সঞ্চালক আকাশদ্বীপ, এপিডিচিএল, জনস্বাস্থ্য আৰু শিক্ষাবিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০২/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in